# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 04-03-2026
**Time :** 18-45 Hrs

## ASSAMESE EVEN BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১।  অসম লোকসেৱা আয়োগৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাত উত্তীৰ্ণ ২৮৪ গৰাকী প্ৰাৰ্থীক আজি নিযুক্তি পত্ৰ প্ৰদান।

২।  গুৱাহাটী মহানগৰৰ যানজঁট নিয়ন্ত্ৰণৰ ক্ষেত্ৰত বিশেষ পদক্ষেপ হিচাপে আজি ভৰলুমুখৰ দীনেশ গোস্বামী উৰণ সেতু উদ্বোধন।

৩।  ৰাজ্যৰ প্ৰান্তে প্ৰান্তে দৌল উৎসৱ আৰু ৰঙৰ উৎসৱ ফাকুৱা উদযাপন।

৪।  আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে ৰাইজৰ দলৰ ১১ জনীয়া প্ৰাৰ্থীৰ তালিকা প্ৰকাশ।

**আৰু**

৫।  টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেলত ক্ষন্তেক পাছতে দক্ষিণ আফ্ৰিকা আৰু নিউজিলেণ্ড মুখামুখি।

০০০০০

২০২৪ বৰ্ষৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ জৰিয়তে অসম অসামৰিক সেৱা আৰু অন্যান্য সংলগ্ন সেৱাৰ বাবে নিৰ্বাচিত ২৮৪ গৰাকী প্ৰাৰ্থী আৰু ফৰেণচিক বিজ্ঞান সঞ্চালকালয়ত বৈজ্ঞানিক বিষয়া হিচাপে নিৰ্বাচিত পাঁচগৰাকী প্ৰাৰ্থীক আজি নিযুক্তি পত্ৰ প্ৰদান কৰা হয়। এই উপলক্ষে আজি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী দামোদৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। মুখ্যমন্ত্ৰীগৰাকীয়ে এই অনুষ্ঠানতে স্বাগত সতীৰ্থ প'ৰ্টেলৰ দ্বিতীয় পৰ্যায়ৰ অধীনত পাৰস্পৰিক বদলিকৰণ পত্ৰ বিতৰণ কৰি পূৰ্বৰ তুলনাত বৰ্তমান বদলিকৰণ প্ৰক্ৰিয়া যথেষ্ট সৰল হৈ পৰিছে বুলি মন্তব্য কৰে।

**বাইট (চি এম)**

উল্লেখযোগ্য যে নৱনিযুক্ত বিষয়াসকলে যাতে সমাগত নিৰ্বাচনৰ অভিজ্ঞতা লাভ কৰিব পাৰে, তাৰপ্ৰতি লক্ষ্য ৰাখি তেওঁলোকক নিৰ্বাচনৰ পূৰ্বে নিযুক্তি পত্ৰ প্ৰদান কৰা হয়। আজিৰ অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ বন বিভাগৰ বাবে ১৪৩ খন নতুন বাহন মুকলি কৰে। অনুষ্ঠানত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন আদি বিভাগৰ মন্ত্ৰী ৰণজিত কুমাৰ দাস, বিত্তমন্ত্ৰী অজন্তা নেওগ, জনস্বাস্থ্য কাৰিকৰী আদি বিভাগৰ মন্ত্ৰী জয়ন্ত

মল্লবৰুৱা, কৃষিমন্ত্ৰী অতুল বৰা, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা আদি বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত আৰু পাৰ্বত্য অঞ্চল উন্নয়ন আদি বিভাগৰ মন্ত্ৰী যোগেন মহন উপস্থিত থাকে।

ooooo

গুৱাহাটী মহানগৰৰ যানজঁট নিয়ন্ত্ৰণৰ ক্ষেত্ৰত বিশেষ পদক্ষেপ হিচাপে আজি ভৰলুমুখৰ দীনেশ গোস্বামী উৰণ সেতুখন উদ্বোধন কৰা হয়। লোকনিৰ্মাণ বিভাগ আৰু উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ উদ্যোগত মুঠ ৯৯ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এই উৰণ সেতুখনে ৰে'ল লাইনৰ ওপৰেৰে নিৰৱচ্ছিন্নভাৱে যান-বাহনৰ চলাচল সুনিশ্চিত কৰাৰ উপৰি ৰে'ল ক্ৰছিঙত দুৰ্ঘটনা তথা বায়ু আৰু শব্দ প্ৰদূষণ হ্ৰাস কৰিব। এই সেতুখনে মাছখোৱা-শান্তিপুৰৰ লগতে শ্লুইজগে'টক সংযোগ কৰিছে। ভৰলুমুখৰ সোণাৰাম খেলপথাৰত আজি সন্ধিয়া এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ লগতে গুৱাহাটীৰ সাংসদ বিজুলী কলিতা মেধি আৰু পশ্চিম গুৱাহাটীৰ বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাই অংশ লৈছে।

মুখ্যমন্ত্ৰীগৰাকীয়ে ইয়াৰ পাছতে গুৱাহাটী মহানগৰীৰ সৌন্দৰ্য বৰ্ধনৰ দিশত নৱতম সংযোজন হিচাপে শৰাইঘাট ৰণৰ স্মৃতিসৌধ উদ্বোধন কৰাৰ লগতে পাণবজাৰত ব্ৰহ্মপুত্ৰ নদীপাৰ উদ্যানৰ সম্প্ৰসাৰণ কাৰ্যৰো আধাৰশিলা স্থাপন কৰিব। পাণবজাৰত এই উপলক্ষে আয়োজিত অনুষ্ঠানত মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, সাংসদ বিজুলী কলিতা মেধি, বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্যৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকিব।

ooooo

ইজৰাইলে ইৰাণৰ ৰাজধানী তেহৰানৰ বাচিজ আৰু অভ্যন্তৰীণ সুৰক্ষা কামাণ্ড কেন্দ্ৰক লক্ষ্য কৰি আক্ৰমণ চলোৱাৰ ফলত পশ্চিম এছিয়াৰ সংঘৰ্ষ অধিক তীব্ৰতৰ হৈ উঠিছে। ইজৰাইলৰ প্ৰতিৰক্ষা বাহিনীসমূহে সামাজিক মাধ্যমযোগে প্ৰকাশ কৰা মতে, ইৰাণৰ প্ৰশাসনে দেশজুৰি নিয়ন্ত্ৰণ বৰ্তাই ৰখাৰ বাবে এই কামাণ্ড কেন্দ্ৰ ব্যৱহাৰ কৰি আহিছে। ইজৰাইলী বাহিনীয়ে ইৰাণৰ ক্ষেপনাস্ত্ৰ উৎক্ষেপন আৰু অন্য প্ৰণালীসমূহকো আক্ৰমণৰ লক্ষ্য কৰি লৈছে। ইজৰাইলৰ বায়ু সেনা বাহিনীয়ে প্ৰকাশ কৰা মতে, যুদ্ধ বিমানৰ বিৰুদ্ধে বায়ু প্ৰতিৰক্ষা ব্যৱস্থা পৰিচালনা কৰা ইৰাণৰ সৈনিকসকলো নিহত হৈছে। ইপিনে ইৰাণৰ চৰকাৰী টিভি চেনেলে প্ৰকাশ কৰা মতে, খামেনেইৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপনৰ কাৰ্যসূচী স্থগিত কৰা হৈছে আৰু এই কাৰ্যসূচী পৰৱৰ্তী সময়ত অনুষ্ঠিত হ'ব। আমেৰিকাস্থিত মানৱ অধিকাৰ কৰ্মী বাতৰি সংস্থাই প্ৰকাশ কৰা মতে, ২৮ ফেব্ৰুৱাৰীৰ পৰা ইৰাণত এহেজাৰ ৯৭ গৰাকী অসামৰিক লোক নিহত হৈছে। ইপিনে, বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে পশ্চিম এছিয়া আৰু পাৰশ্য উপসাগৰীয় অঞ্চলৰ সাম্প্ৰতিক স্থিতিলৈ চাই নিয়ন্ত্ৰণ কক্ষ মুকলি কৰিছে। পুৱা ৯ বজাৰ পৰা নিশা ৯ বজালৈ টেলিফোন যোগে যোগাযোগ কৰিব পৰা যাব। নিয়ন্ত্ৰণ কক্ষৰ টোল ফ্ৰি নম্বৰটো হৈছে ১৮০০ ১১৮৭ ৯৭ ইয়াৰ উপৰি সংঘৰ্ষজৰ্জৰ অঞ্চলত থকা ভাৰতীয় দূতাবাসসমূহেও তাত থকা ভাৰতীয় নাগৰিকসকলক নিৰাপদে ঘূৰি অহাত সহায় কৰাৰ উদ্দেশ্যে অহৰ্নিশে খোলা থকা হেল্পলাইন নম্বৰ মুকলি কৰিছে।

ooooo

ৰাজ্যৰ প্ৰান্তে প্ৰান্তে আজি দৌল উৎসৱ আৰু ৰঙৰ উৎসৱ ফাকুৱা উপলক্ষে উৎসাহ উদ্দীপনাই বিৰাজ কৰিছে। সত্ৰনগৰী বৰপেটা, গুৰুজনাৰ জন্মস্থান বটদ্ৰৱা আৰু মাজুলীৰ সত্ৰসমূহত আধ্যাত্মিক ৰীতি-নীতি তথা

আনন্দ উৎসাহেৰে দৌল উৎসৱ পালন কৰা হৈছে। গুৱাহাটী মহানগৰীৰ বিভিন্ন স্থানত জনসাধাৰণে ফাকু গুৰি আৰু ৰং সানি ফাকুৱাৰ আনন্দ উপভোগ কৰিছে।

ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰত আজি দ্বিতীয় ভৰদৌল উপলক্ষে পুৱাৰেপৰা অগণন লোকৰ সত্ৰ চৌহদলৈ আগমন ঘটিছে। পৰহিলৈ সত্ৰত সুঁৱেৰী পালন কৰা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বৰপেটা সত্ৰত কলিয়া গোসাইক সেৱা জনায়। বৰপেটা সত্ৰৰ দৌল মহোৎসৱৰ সুকীয়া আকৰ্ষণ আছে বুলি উল্লেখ কৰি তেওঁ কয়, যে বিহু আৰু ঝুমইৰ বিনন্দিনীৰ দৰে হোলী গীতক ৰাষ্ট্ৰীয় পৰ্যায়লৈ লৈ যোৱাৰ বাবে পৰিকল্পনা কৰা হৈছে। শীঘ্ৰে এই পৰিকল্পনা বাস্তৱায়িত কৰা হ'ব বুলিও তেওঁ উল্লেখ কৰে। তদুপৰি ৰাজ্যৰ সত্ৰসমূহ দখলমুক্ত কৰাৰ বাবে প্ৰচেষ্টা অব্যাহত থাকিব বুলি তেওঁ কয়।

বাইট

বৰপেটাৰ পাটবাউসী, গণককুছি, সুন্দৰীদিয়া আৰু বাৰাদি সত্ৰতো দৌল মহোৎসৱ উপলক্ষে উখল-মাখল পৰিৱেশৰ সৃষ্টি হৈছে। কৃষ্ণ বন্দনা আৰু হোলী গীতেৰে বৰপেটাৰ আকাশ-বতাহ মুখৰ হৈ উঠিছে।

শিলচৰত ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্যই আচাম ৰাইফলছৰ জোৱানসকলৰ সৈতে ফাকুৱাৰ আনন্দ উপভোগ কৰে। তেওঁ শিলচৰত শ্ৰীকোনাত থকা বাহিনীটোৰ শিবিৰত জোৱানসকলৰ বেণ্ড প্ৰদৰ্শন আৰু গোৰ্খা জোৱানসকলৰ সাংস্কৃতিক অনুষ্ঠানো উপভোগ কৰে। সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত ৰাজ্যপালগৰাকীয়ে নিৰাপত্তা বাহিনীৰ জোৱানসকলৰ সৈতে উৎসৱৰ আনন্দ উপভোগ কৰিব পৰাটো গৌৰৱৰ বিষয় বুলি মন্তব্য কৰে।

বাইট

উত্তৰ গুৱাহাটীৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীদৌল গোবিন্দ মন্দিৰত আধ্যাত্মিক পৰম্পৰা আৰু ৰীতি-নীতিৰে দৌল উৎসৱ উদযাপন কৰা হৈছে। দৌল উৎসৱৰ আজি তৃতীয় দিনা নাম প্ৰসংগ আৰম্ভ হৈছে। মহাপূজাৰ পাছত সন্ধিয়া প্ৰভূক আবিৰ সনা হ'ব আৰু নিশাৰ ভাগলৈ ভক্তসকলে পৰস্পৰক ফাকু গুৰি সানিব।

কোচবিহাৰৰ মধুপুৰ সত্ৰতো পৰহিৰেপৰা দৌল উৎসৱ উদযাপন কৰা হৈছে। দৰং জিলাৰ বিভিন্ন সত্ৰ, দেৱালয়, নামঘৰ আদিতো দৌল উৎসৱ উদযাপন কৰা হৈছে।

**ধুবুৰী** জিলাৰ সত্ৰশালৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে স্থাপন কৰা শ্ৰীশ্ৰী ৰামৰাইকুঠী সত্ৰত আজি তৃতীয়দিনা দৌল উৎসৱ পালন কৰা হৈছে। দৌলৰ সুঁৱেৰী উপলক্ষে নাম-কীৰ্তনৰ পাছত মেলাৰ আয়োজন কৰা হৈছে। এই মেলালৈ ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে কাষৰীয়া পশ্চিমবংগৰ বহুলোকৰ আগমন ঘটে। মেলাৰ শেষত গোসাঁইক ফুৰোৱা হ'ব। জিলাখনত কালি দৌল মহোৎসৱৰ সৈতে সংগতি ৰাখি বসন্ত উৎসৱৰ আয়োজন কৰা হয়।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱাত গুৰুজনাই প্ৰায় ৫০০ বছৰ পূৰ্বে আৰম্ভ কৰা পৰম্পৰাৰ সৈতে সংগতি ৰাখি পাঁচদিনীয়া কাৰ্যসূচীৰে দৌল উৎসৱৰ আয়োজন কৰা হৈছে। আজি গোঁসাই ফুৰোৱা কাৰ্যসূচী সম্পন্ন হয়। বিশ্বনাথ জিলাৰ অন্তৰ্গত গহপুৰৰ ধেণুধৰাৰ দৌল মন্দিৰত দুদিনীয়াকৈ আয়োজিত দৌল মহোৎসৱৰ আজি দ্বিতীয় দিনা গোঁসাই ফুৰোৱা আৰু দৌলযাত্ৰা কৰা হয়।

মাজুলীৰ সত্ৰসমূহতো আধ্যাত্মিক পৰম্পৰা বৰ্তাই ৰাখি ফলগুৎসৱ আৰু ফাকুৱা পালন কৰা হৈছে।

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ বিভিন্ন স্থানত আজি ফাকুৱাৰ আনন্দ উদযাপন কৰা হয়। চুবুৰীয়া ৰাজ্য মেঘালয়ৰ  গাৰো পাহাৰতো সম্প্ৰীতিৰ নিদৰ্শন ৰাখি বহু লোকে ফাকুৱাৰ আনন্দ উদযাপন কৰে।

ooooo

ৰাইজৰ দলে আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে ১১ জনীয়া প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিছে। এই অনুসৰি ৰমেন চন্দ্ৰ বৰঠাকুৰে জালুকবাৰীত, ড° জ্ঞানশ্ৰী বৰাই মৰিয়নি সমষ্টিত, লক্ষ্যজ্যোতি গগৈয়ে ডিগবৈত, আজিজুৰ ৰহমানে দলগাঁৱত আৰু মেহবুব মুকতাৰে ধিং সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিব।

উল্লেখযোগ্য যে কংগ্ৰেছে কালি ৪২ গৰাকী প্ৰাৰ্থীৰ প্ৰথমখন তালিকা প্ৰকাশ কৰে। প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈ যোৰহাটৰ, মীৰা বৰঠাকুৰ দিছপুৰৰ প্ৰাৰ্থী হ'ব। ৰাতুল পাটোৱাৰীক টিহু, নাৰায়ণ ভূঞাৰ বিহপুৰীয়া, অশোক শৰ্মাক নলবাৰীত টিকট প্ৰদান কৰা হৈছে। ইয়াৰ উপৰি বঙাইগাঁৱত গিৰিশ বৰুৱা, কমলপুৰত সত্যব্ৰত কলিতা, বৰক্ষেত্ৰীত দিগন্ত বৰ্মন, ছিপাঝাৰত বিনন্দ কুমাৰ শইকীয়া, জাগীৰোডত বুবুল দাস, হাজো-শুৱালকুছিত নন্দিতা দাস, বকো-ছয়গাঁৱত ৰমেন সিং ৰাভা, বৰপেটাত মহানন্দ সৰকাৰ, চামগুৰিত তানজিল হুছেইন, বৰচলাত ৰিপুন বৰা, লামডিঙত স্বপন কৰ, সোণাৰীত উৎপল গগৈ, নাজিৰাত দেবব্ৰত শইকীয়া, কৰিমগঞ্জ উত্তৰ সমষ্টিত জাকাৰিয়া আহমেদ, গৌৰীপুৰত আব্দুছ ছ'বাহন আলী সৰকাৰক প্ৰাৰ্থিত্ব প্ৰদান কৰা হৈছে। ৰূপহীহাটত নুৰুল হুদা, জোনাইত ৰাজকুমাৰ মেদক, ডুমডুমাত দুৰ্গা ভূমিজ, মাৰ্ঘেৰিটাত প্ৰতীক বৰদলৈ, চাবুৱা-লাহোৱালত প্ৰাঞ্জল ঘাটোৱাৰ, দুলীয়াজানত ধ্ৰুৱ গগৈক প্ৰাৰ্থিত্ব প্ৰদান কৰা হৈছে। দলটোৰ শীৰ্ষ নেতৃত্বই নাহৰকটীয়াত প্ৰণতি ফুকন, মাজুলীত ইন্দ্ৰনীল পেগু, টীয়কত পল্লৱ শইকীয়া গগৈ, শিলচৰত অভিজিৎ পল, বোকাজানত ৰতন ইংতিক প্ৰাৰ্থিত্ব প্ৰদান কৰিছে।

ooooo

বিজেপিয়ে ব'হাগ বিহুৰ পূৰ্বে ৰাজ্যত বিধানসভা নিৰ্বাচন হোৱাটো বিচাৰে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। বৰপেটা সত্ৰৰ দৌল মহোৎসৱত আজি অংশ লোৱাৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত মুখ্যমন্ত্ৰীয়ে কয়, যে কংগ্ৰেছৰ তিনিজন নিলম্বিত বিধায়কে কাইলৈ বিজেপিত যোগদান কৰিব। দলটো সম্প্ৰতি নিৰ্বাচনৰ বাবে সাজু বুলি উল্লেখ কৰি ড০ শৰ্মাই কয়, যে অসম গণ পৰিষদৰ সৈতে বিজেপিৰ নিৰ্বাচনকেন্দ্ৰিক বুজাপৰা শীঘ্ৰেই সম্পন্ন হ'ব। তেওঁ লগতে বিপিএফ আৰু ইউ পি পি এল দলকো নিজৰ মাজতে আলোচনা কৰি সিদ্ধান্ত ল'বলৈ কোৱা হৈছে বুলি উল্লেখ কৰে। মুখ্যমন্ত্ৰী শৰ্মাই আজি দৌল মহোৎসৱৰ আনন্দৰ মাজতে বৰপেটাত নৱনিৰ্মিত আৱৰ্ত ভৱন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। এই ভৱনটো বিশেষ অতিথিৰ বাবে দুটা কোঠাসহ মুঠ ২০টা কোঠা আৰু ৭০ খন আসন বিশিষ্ট আলোচনা কক্ষৰ লগতে অন্যান্য সুবিধাসমূহ থাকিব।

ooooo

ধেমাজিত কাইলৈ বিজেপিৰ জন আশীৰ্বাদ যাত্ৰা আৰম্ভ হ'ব। গোগামুখৰ পৰা আৰম্ভ হ'বলগীয়া এই যাত্ৰা ধেমাজি, চিচিবৰগাঁও হৈ জোনাই বিধানসভা সমষ্টিত অন্ত পৰিব। এই উপলক্ষে আজি বিজেপিৰ ধেমাজি জিলা সমিতিৰ কাৰ্যালয়ত মন্ত্ৰী ডা০ ৰণোজ পেগুৱে সাংসদ প্ৰদান বৰুৱা প্ৰমুখ্যে বিজেপি মিত্ৰজোঁটৰ জিলা সমিতিৰ বিষয়ববীয়াসকলৰ সৈতে এখন সংবাদমেলত ভাগ লয়। ডা০ পেগুৱে উন্নয়ন, সু-শাসন আৰু জন কল্যাণৰ ধাৰা অব্যাহত ৰখাৰ বাবে এই যাত্ৰাত সকলো নাগৰিকক অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়।

জন আশীৰ্বাদ যাত্ৰাৰ পৰিপ্ৰেক্ষিতত ধেমাজি আৰক্ষীয়ে কাইলৈ যান-বাহন চলাচলৰ ক্ষেত্ৰত কেতবোৰ নিৰ্দেশনা জাৰি কৰিছে। সেই অনুসৰি ধেমাজি, গোগামুখ আৰু লখিমপুৰ অভিমুখী জোনাই আৰু চিলাপথাৰৰ ফালৰ পৰা অহা বাহনসমূহ পুৱা ৮ বজাৰ পৰা কোলাজান-ঢকুৱাখনা সংযোগী পথেৰে যাবলৈ নিৰ্দেশ দিয়া হৈছে। একেদৰে গোগামুখৰ পৰা ধেমাজি, জোনাই আৰু চিলাপথাৰলৈ যোৱা বাহনসমূহক ঢকুৱাখনা পথ ব্যৱহাৰ কৰিবলৈ আহ্বান জনোৱা হৈছে। ইপিনে আশীৰ্বাদ যাত্ৰাত অংশগ্ৰহণৰ বাবে অহা লোকসকলক তেওঁলোকৰ বাহনসমূহ আন্তঃজিলা বাছ আস্থান, তেলিজান ডি আৰ ডি এ চৌহদ, ধেমাজি ক'ৰ্ট ফিল্ড, ধেমাজি মহাবিদ্যালয়ৰ খেলপথাৰ, পুৰণি বাছ আস্থান আৰু ৰংছটিওৱা পথাৰকে ধৰি নিৰ্ধাৰিত স্থানত পাৰ্কিং কৰিবলৈ কোৱা হৈছে।

ooooo

আইচিচি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত কলকাতাৰ ইডেন গাৰ্ডেনছত প্ৰথমখন ছেমি ফাইনেলত কিছু সময়ৰ পাছতে দক্ষিণ আফ্ৰিকা নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। নিউজিলেণ্ডে টছত জিকি দক্ষিণ আফ্ৰিকাক প্ৰথমে বেট ধৰাৰ বাবে আমন্ত্ৰণ জনাইছে।

প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত কাইলৈ মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত ভাৰত আৰু ইংলেণ্ড মুখামুখি হ'ব। অহা ৮ মাৰ্চত আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত প্ৰতিযোগিতাৰ ফাইনেল খেলখন অনুষ্ঠিত হ'ব।

ooooo

ঃঃ সমাপ্ত ঃঃ